**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ তিৰুৱনন্তপুৰামত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। ভাৰতত শক্তি খণ্ডৰ পৰিৱৰ্তনে ঔদ্যোগীকিকৰণ, কৰ্মসংস্থাপন সৃষ্টি আৰু গোলকীয় প্ৰতিযোগিতাৰ মনোভাৱৰ প্ৰসাৰত অৰিহণা যোগাইছে বুলি নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে পহিলা এপ্ৰিলৰ পৰা আৰম্ভ হ'বলগীয়া লোকপিয়লৰ প্ৰথম পৰ্যায়ত জনসাধাৰণক সুধিবলগীয়া ৩৩ টা প্ৰশ্নৰ সূচী জাৰি কৰিছে।

৪। দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে বসন্ত পঞ্চমী আৰু সৰস্বতী পূজা পালন কৰা হৈছে।***আৰু***

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গুজৰাট জায়েণ্টছে ইউ পি ৱাৰিয়ৰ্ছক ৪৫ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কেৰালালৈ যাব। এই ভ্ৰমণৰ সময়ত শ্ৰী মোদীয়ে তিৰুৱনন্তপুৰমত কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে শ্ৰী মোদীয়ে এখন জনসভাতো ভাষণ দিব।

প্ৰধামন্ত্ৰীয়ে ৩খন অমৃত ভাৰত এক্সপ্ৰেছ আৰু এখন যাত্ৰীবাহী ৰেলগাড়ীকে ধৰি ৪খন ৰেলগাড়ীৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰিব। এই সমূহৰ ভিতৰত নাগেৰকোইল-মাঙ্গালুৰু অমৃত ভাৰত এক্সপ্ৰেছ, তিৰুৱনন্তপুৰম- তাম্বাৰাম অমৃত ভাৰত এক্সপ্ৰেছ, তিৰুৱনন্তপুৰম- চাৰলাপল্লী অমৃত ভাৰত এক্সপ্ৰেছ, আৰু ত্ৰিচুৰ - গুৰুভায়ুৰৰ মাজৰ এখন যাত্ৰীবাহী ৰেলগাড়ী আছে।ইয়াৰ জৰিয়তে কেৰালা, তামিলনাডু, কৰ্ণাটক, তেলেংগানা আৰু

অন্ধ্ৰ প্ৰদেশৰ মাজত দুৰণিবতীয়া  আৰু আঞ্চলিক যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাৰ লগতে অঞ্চল সমূহৰ পৰ্যটন, বাণিজ্য, শিক্ষা, নিয়োগৰ সুযোগ বৃদ্ধিত শক্তিশালী প্ৰভাৱ পেলাব।

নগৰ অঞ্চলত জীৱিকাৰ সুযোগ বৃদ্ধিৰ উদ্দেশ্যে, প্ৰধানমন্ত্ৰীয়ে পি এম স্বনিধি ক্ৰেডিট কাৰ্ডৰ শুভাৰম্ভ কৰিব। তেও লগতে কেৰালাৰ পদপথৰ ব্যৱসায়ীসকলকে ধৰি একলাখ হিতাধিকাৰীক পি এম স্বনিধি ঋণৰ ধন বিতৰণ কৰিব।

বিজ্ঞান আৰু উদ্ভাৱন খণ্ডত শ্ৰী মোদীয়ে তিৰুৱনন্তপুৰমত  উদ্ভাৱন, প্ৰযুক্তি আৰু উদ্যমিতা কেন্দ্ৰ CSIR - NIIST ৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ব্ৰাজিলৰ ৰাষ্ট্ৰপতি  লুলা দা চিলভাৰ সৈতে টেলিফোনেৰে বাৰ্তালাপ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু ব্ৰাজিলৰ মাজৰ কৌশলগত অংশীদ্বাৰিত্ব শক্তিশালী কৰাৰ লগতে ভৱিষ্যতে এই সম্পৰ্কক অধিক শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। বৈদেশিক মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে, নেতা দুগৰাকীয়ে বাণিজ্য আৰু বিনিয়োগ , প্ৰযুক্তি, প্ৰতিৰক্ষা, শক্তি, স্বাস্থ্য, কৃষিকে ধৰি দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন ক্ষেত্ৰত দেশ দুখনৰ উল্লেখনীয় অগ্ৰগতি বিষয়ত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁলোকে লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভতো আলোচনা কৰে।

০০০০০

ভাৰতত শক্তি খণ্ডৰ পৰিৱৰ্তনে ঔদ্যোগীকিকৰণ, কৰ্মসংস্থাপন সৃষ্টি আৰু গোলকীয় প্ৰতিযোগিতাৰ মনোভাৱৰ প্ৰসাৰত অৰিহণা যোগাইছে আৰু বিকাশশীল অৰ্থব্যৱস্থাসমূহৰ বাবে উদাহৰণ হৈ পৰিছে বুলি নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে  প্ৰকাশ কৰিছে। ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ শক্তি সম্পৰ্কীয় উচ্চ স্তৰীয় আলোচনাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে নিকা শক্তি জনসাধাৰণ কেন্দ্ৰীক উন্নয়নৰ আন্দোলনলৈ ৰূপান্তৰ কৰাৰ লগতে শক্তি সুৰক্ষা সুদৃঢ় কৰি তুলিছে আৰু বিদ্যুত ব্যয় হ্ৰাস কৰিছে। শ্ৰী যোশীয়ে কয়, যে ভাৰতে অজীৱাশ্ম উৎসৰ পৰা ২৬৭ গিগাৱাট ইন্ধন উৎপাদন ক্ষমতা গঢ়ি তুলিছে আৰু এই ক্ষেত্ৰত নৱীকৰণযোগ্য শক্তি খণ্ডৰ অৱদান প্ৰায় ৫২ শতাংশ। তেওঁ কয়, যে উপভোক্তাসকল প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনা আৰু প্ৰধানমন্ত্ৰী কুসুমৰ দৰে আঁচনিসমূহৰ পৰা লাভান্বিত হৈছে আৰু গ্ৰামাঞ্চলৰ আয় বৃদ্ধি পাইছে।  নৱীকৰণযোগ্য শক্তি উৎপাদনৰ ব্যয় হ্ৰাস হোৱাৰ ফলত

উদ্যোগ আৰু ব্যক্তিগত বিদ্যুতৰ মাচুলো কমিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে সৌৰ মডিউল, বেটাৰী, মজুতকৰণ আৰু পৱন শক্তিসহ ঘৰুৱা নিকা শক্তি উৎপাদনত ব্যৱহৃত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত কৰ্মসংস্থাপনৰ ন ন সুযোগ সৃষ্টি হৈছে।

বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত ভাগ লোৱাৰ আপাহতে নিকা শক্তি বিনিয়োগ, প্ৰযুক্তিগত সহযোগিতা আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰিত্ব বৃদ্ধিৰ উদ্দেশ্যে শ্ৰী যোশীয়ে বিভিন্ন দেশৰ মন্ত্ৰী তথা গোলকীয় উদ্যোগ জগতৰ কাণ্ডাৰীসকলৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

ooooo

কেন্দ্ৰীয় চৰকাৰে পহিলা এপ্ৰিলৰ পৰা আৰম্ভ হ'বলগীয়া লোকপিয়লৰ প্ৰথম পৰ্যায়ত জনসাধাৰণক সুধিবলগীয়া ৩৩ টা প্ৰশ্নৰ সূচী জাৰি কৰিছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ত ঘৰৰ সূচী প্ৰস্তুত কৰা হ'ব। ইয়াৰ বাবে প্ৰত্যেকখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে সুকীয়াকৈ নিৰ্ধাৰণ কৰা ৩০ দিনৰ ভিতৰত অভিযান চলোৱা হ'ব। এই পৰ্যায় ৩০ ছেপ্তেম্বৰলৈকে অব্যাহত থাকিব। লোকপিয়লৰ সময়ত গণনাকাৰীসকলে বাসগৃহৰ মালিকীস্বত্বৰ স্থিতি, মজিয়া আৰু চালি অথবা চাদ নিৰ্মাণত ব্যৱহৃত সামগ্ৰী, কোঠাৰ সংখ্যা আৰু পৰিয়ালৰ মুৰববী গৰাকীৰ লিংগ সম্পৰ্কে তথ্য সংগ্ৰহ কৰিব। ইয়াৰ পাছত গণনাকাৰীসকলে বাসগৃহৰ ব্যৱহাৰ, স্থিতি আৰু সাধাৰণতে ঘৰত বাস কৰা লোকৰ সংখ্যাৰ তথ্য সংগ্ৰহ কৰিব। জনসাধাৰণৰ পৰা বাসগৃহত উপলব্ধ বুনিয়াদি সা-সুবিধা সম্পৰ্কেও প্ৰশ্ন কৰা হ'ব। ইয়াৰ ভিতৰত খোৱা পানীৰ মূল উৎস, পোহৰৰ মূল উৎস, শৌচালয়, ঘৰৰ পৰা চুৱা পানী আদি ওলাই যোৱাৰ ব্যৱস্থা, গা ধোৱাৰ সুবিধা, পাকঘৰৰ উপলভ্যতা আৰু ৰন্ধনত ব্যৱহৃত মূল ইন্ধন সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰা হ'ব। গণনাকাৰীসকলে ৰেডিঅ', টিভি, ইণ্টাৰনেট সুবিধা, লেপটপ, কম্পিউটাৰ, টেলিফোন, ম'বাইল ফোন, স্মাৰ্ট ফোনৰ দৰে আহিলাপাতি, বাহনৰ প্ৰকাৰ, খোৱাৰ বাবে ব্যৱহাৰ কৰা মূল শস্য আৰু লোকপিয়ল সম্পৰ্কীয় যোগাযোগৰ বাবে ব্যৱহাৰ যোগ্য ম'বাইল নম্বৰৰ তথ্যও আহৰণ কৰিব। বাসগৃহৰ সূচী প্ৰস্তুতকৰণৰ ৩০ দিনীয়া অভিযানৰ পূৰ্বৰ ১৫ দিনৰ ভিতৰত নাগৰিকসকলৰ বাবে স্ব-গণনাৰো বিকল্প থাকিব। লোকপিয়ল দুটা পৰ্যায়ত কৰা হ'ব। এপ্ৰিলৰ পৰা ছেপ্তেম্বৰলৈকে বাসগৃহৰ সূচী প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ পিয়ল সম্পন্ন কৰা হ'ব। দ্বিতীয় পৰ্যায়ত ২০২৭ চনৰ ফেব্ৰুৱাৰীত লোকপিয়ল কৰা হ'ব।

ooooo

দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে বসন্ত পঞ্চমী আৰু সৰস্বতী পূজা পালন কৰা হৈছে। এই উপলক্ষে বিশেষকৈ শিক্ষাৰ্থীসকলে বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰে। এই উৎসৱ বসন্ত ঋতুৰ আগমনৰো প্ৰতীক।

দেশৰ বিভিন্ন প্ৰান্তৰ দৰে অসমতো আজি সৰস্বতী পূজা পালন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্ততো এই পূজাৰ আয়োজন কৰা হৈছে। মৃণ্ময় মূৰ্তিক প্ৰাণৱন্ত কৰাৰ বাবে প্ৰতিমা আৰু পূজাৰ সামগ্ৰীৰে মহানগৰীৰ বজাৰ ভৰি পৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূৱত সৰস্বতী পূজাৰ বাবে আজিৰে পৰাই উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে।

গোৱালপাৰা জিলাতো সৰস্বতী পূজাৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানসমূহত আয়োজন প্ৰায় সম্পূৰ্ণ হৈছে। খনিকৰ তথা মৃৎশিল্পীসকলে দেৱীৰ প্ৰতিমাত শেষ পৰশ দিছে। বিশ্বনাথ জিলাতো বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাক লৈ আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে।

00000

ৰাষ্ট্ৰপতি ভৱনৰ চৌহদৰ অমৃত উদ্যান অহা ৩ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হ'ব। ৰাষ্ট্ৰপতিৰ সচিবালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই অমৃত উদ্যান খোলা থাকিব। প্ৰতি দেওবাৰে উদ্যানখন বন্ধ থাকিব। জনসাধাৰণে উদ্যানত বিনামূলীয়াকৈ প্ৰৱেশ কৰিব পাৰিব। জনসাধাৰণে ***visit.rashtrapatibhavan.gov.in*** ৱেবচাইটৰ জৰিয়তেও আগতীয়াকৈ টিকট বুক কৰিব পাৰিব।

00000

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বডোডৰাৰ বি চি এ ষ্টেডিয়ামত অনুষ্ঠিত লীগ পৰ্যায়ৰ এখন খেলত গুজৰাট জায়েণ্টছে ইউ পি ৱাৰিয়ৰ্ছক ৪৫ ৰানত পৰাস্ত কৰে। খেলখনত ইউ পি ৱাৰিয়ৰ্ছে ১৫৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে গুজৰাট জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰে। গুজৰাটৰ হৈ ছ'ফি ডিৱাইনে ৫০ ৰান কৰে। ফোবে লিছফিল্ডে ৩২ ৰানৰ বৰঙনি আগবঢ়ায়। গুজৰাটৰ হৈ তিনিটা উইকেট দখল কৰা ৰাজেশ্বৰী গায়কোৱাডক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

00000

ভাৰতৰ পি ভি সিন্ধু আৰু লক্ষ্য সেনে ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্য সেনে কালি পুৰুষৰ ছিংগলছ্‌ৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ জেছন গুণাৱানক ২১-১০, ২১-১১ পোনপটীয়া গেমত পৰাভূত কৰে। লক্ষ্য সেন আজি কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ পানিট্‌ছাফোন তিৰাৰাত্‌চাকুলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

পি ভি সিন্ধুৱে কালি মহিলাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ হোজমাৰ্ক কেজেৰফেলড্‌টক ২১-১৯, ২১-১৮ গেমত পৰাস্ত কৰে। সিন্ধু আজি কোৱাৰ্টাৰ ফাইনেলত চীনৰ চেন য়ু ফেইৰ সন্মুখীন হ'ব।

বিশ্বৰ পূৰ্বৰ এক নম্বৰ খেলুৱৈ কিদাম্বি শ্ৰীকান্ত আৰু হৰিহৰণ আমচাকাৰুনান আৰু এম আৰ অৰ্জুনৰ যুটীটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

00000

সমাপ্ত